Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ৬

নোকোৱাৰ পৰিণাম

অংশ - ১

পুণ্যব্ৰত বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

চৰিত্ৰৰ পৰিচয় —

মালতী

শৈলবালা — তিনিওগৰাকী সপ্তম শ্ৰেণীত

হুনমিলি — পঢ়ি থকা ছাত্ৰী।

ফুলমতী কুৰ্মী — বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী।

বসন্ত পেগু — চিকিৎসক

বাহাৰুল ইছলাম — বিদ্যালয়ৰ সহকাৰী শিক্ষক

ঘোষকসহ বিদ্যালয়ৰ আন আন ছাত্ৰ-ছাত্ৰীসকল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

১ম দৃশ্য

শস্য-শ্যামলা এখন গাঁৱৰ দোকমোকালিৰ চিত্ৰ।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মালতী : বকুল ফুলৰ গোন্ধ পালেই মনটো ভৰি উঠে, নহয়নে শৈল?

শৈলবালা : ও, কৈছাহে নে? ইমান সুগন্ধি ফুল!

হুনমিলি : কাইলৈৰ পৰা আমাৰ গ্ৰীষ্ম বন্ধ ঘোষণা কৰিব নহয়, আজি অলপ বোছকৈ ফুল বুটলিম দেই। এই ফুলৰ মালাৰেই ছাৰ, বাইদেউ সকলোকে শ্ৰদ্ধা আৰু সম্ভাষণ জনাব পাৰিম।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মালতী : মোৰ মনৰ কথাষাৰকে কৈছা, হুনমিলি। চোৱাচোন! ফুলবোৰ কিমান সতেজ আৰু জীপাল!

শৈলবালা : এতিয়া কথাৰ মহলা মাৰি থাকিলেই হ'বনে? ন বাজিবই চোন গা-পা ধুই ভাতকেইটা নাকে-মুখে গুজি বিদ্যালয়লৈ ঢাপলি মেলিবৰ হ'বই দেখোন।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



হুনমিলি : ঠিকেই কৈছা। সময়ৰ টিকনিডাল হেনো আগফালে উৰে। ব'লা ব'লা...

২য় দৃশ্য

[বিদ্যালয়ৰ চৌহদ। মূল পথৰ পৰা বিদ্যালয়লৈ প্ৰৱেশ কৰা উপপথটিৰ দুয়োফালে কেইজোপামান নাহৰ গছে অনুপম শোভা বৰ্ধন কৰিছে। বিদ্যালয়ৰ নাতিদূৰত আছে বিশাল এক ৰাজহুৱা পুখুৰী। গ্ৰীষ্ম বন্ধ ঘোষণা উপলক্ষে বিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছে এখনি প্ৰীতিমেল]


Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

প্ৰধান শিক্ষয়িত্ৰী : মৰমৰ ছাত্ৰ-ছাত্ৰীসকল, আমি আশা কৰোঁ তোমালোকে গৰমবন্ধৰ কালছোৱাৰ সদ্ব্যৱহাৰ কৰিবা। ঘৰুৱা কামত মাৰা-দেউতাৰাক সহায়ৰ হাত আগবঢ়োৱাৰ লগতে স্থানীয় পুথিভঁৰাললৈ গৈ দুই এখন বাহিৰা কিতাপ-পত্ৰও পঢ়িবা। তেতিয়া হ'লেহে মনৰ দুৱাৰ অধিক মুকলি হ'ব।

Under CSR Support by
ipca | Foundation


শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



শিক্ষক : বাইদেৱে তোমালোকক কৰ্তব্যৰ বিষয়ে সোঁৱৰাই দিলেই। খন্তেক পাছতে আমি সাংস্কৃতিক কাৰ্যক্ৰমৰ পাতনি মেলিম। তোমালোকৰ ফালৰ পৰা কেইগৰাকীমানে এষাৰকৈ ক'লে 'সোণত সুৱগা চৰা' যেন হ'ব।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



শিক্ষক : নিশ্চয়। তোমালোকৰ এই মৰমৰ উপহাৰ আমি আন্তৰিকতাৰে গ্ৰহণ কৰিম। (মালতী, শৈলবালা আৰু হুনমিলিকে ধৰি আন আন ছাত্ৰ- ছাত্ৰীয়ে শিক্ষক-শিক্ষয়িত্ৰীসকলক ফুলৰ মালা অৰ্পণ কৰিব)

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

মালতী : নমস্কাৰ। (ছাৰ-বাইদেউসকলক প্ৰণাম জনাই) প্ৰথমতে আমি বকুল ফুলৰ মালা একোধাৰি ছাৰ-বাইদেউসকলক অৰ্পণ কৰিবলৈ বিচাৰিছোঁ। (সতীৰ্থসকলৰ প্ৰতি লক্ষ্য কৰি) দায়িত্বত থকাসকল অনুগ্ৰহ কৰি আগবাঢ়ি আহা।

Under CSR Support by ipca Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। 'চোৱাচোন! ফুলবোৰ কিমান সতেজ আৰু জীপাল!'- কথাষাৰি কোনে কাক কৈছিল?

এই কথাষাৰি মালতীয়ে হনামলি আহি কেনেকৈ কৈছিল

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। বিদ্যালয়ৰ নাতিদূৰত কি আছে?

(ক) এখন খেলপথাৰ।

(খ) এক বিশাল ৰাজহুৱা পুখুৰী।